**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-08-2025 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

0000000

মুখ্যমন্ত্ৰীৰ বিজ্ঞান প্ৰতিভা সন্ধান আঁচনি ২০২৫ৰ অধীনত বাছনি লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ পাঁচ-দিনীয়া পৰামৰ্শদান শিবিৰ আজিৰে পৰা আই আই টি গুৱাহাটীত অনুষ্ঠিত হৈছে। উচ্চস্তৰৰ বিজ্ঞান আন্তঃগাঁথনি তথা বিজ্ঞানসন্মত বিষয়ৰ প্ৰত্যক্ষ অভিজ্ঞতা আহৰণৰ সুযোগ দিয়াৰ বাবে আই আই টি গুৱাহাটীৰ তত্বাৱধানত এই শিবিৰ মুকলি কৰা হৈছে। উন্নত মানৰ বাছনি প্ৰক্ৰিয়াই ৰাজ্যখনৰ বিভিন্ন জিলাৰ শিক্ষানুষ্ঠানত উচ্চতৰ মাধ্যমিকৰ বিজ্ঞান শাখাৰ প্ৰথম বৰ্ষত অধ্যয়নৰত ৪০গৰাকী শিক্ষাৰ্থীক এইবাৰ উদীয়মান বিজ্ঞান প্ৰতিভাৰূপে বাছনি কৰা হৈছে। অহা ৮ আগষ্টলৈ চলিবলগীয়া এই শিবিৰত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলক আই আই টি গুৱাহাটীৰ অধ্যাপক আৰু গৱেষকসকলে মৌললিক বিজ্ঞানৰ গুৰুত্বপূৰ্ণ দিশসমূহৰ লগতে আধুনিক বিজ্ঞানৰ ধ্যান-ধাৰণা সম্পৰ্কে অৱগত কৰিব। তদুপৰি বিজ্ঞানৰ উদ্ভাৱনমূলক কাম-কাজৰ বিষয়েও তেওঁলোকক অৱগত কৰোৱা হ'ব। শিক্ষাৰ্থীসকলে বিজ্ঞানাগাৰত হাতে-কামে বিজ্ঞান শিক্ষাৰ অভিজ্ঞতা আহৰণৰ সুযোগ লাভ কৰিব। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ উদ্যোগত নৱপ্ৰজন্মৰ মাজত বিজ্ঞানসন্মত মানসিকতা গঢ়ি তোলাৰ বাবে ২০২৪ চনত মুখ্যমন্ত্ৰীৰ বিজ্ঞান প্ৰতিভা সন্ধান আঁচনিখন ৰূপায়ণ কৰা হৈছিল। যোৱা বছৰ ৰাজ্যৰ ১০০গৰাকী ছাত্ৰ-ছাত্ৰীক বাছনি কৰি আই আই টি গুৱাহাটীত প্ৰাৰম্ভিক প্ৰশিক্ষণ দিয়াৰ পাছত বাংগালোৰলৈ লৈ গৈ ভাৰতীয় বিজ্ঞান প্ৰতিষ্ঠান আৰু ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ চৌহদত প্ৰত্যক্ষ অভিজ্ঞতা লাভৰ সুযোগ দিয়া হৈছিল। তেওঁলোকৰ মাজৰ পাঁচগৰাকী উদীয়মান বিজ্ঞান প্ৰতিভাক ইংলেণ্ডলৈ নি অক্সফৰ্ড, কেম্ব্ৰিজ আৰু লণ্ডন বিশ্ববিদ্যালয়ৰ বিজ্ঞানাগাৰ চোৱাৰ আৰু বিজ্ঞানীসকলৰ সৈতে মত-বিনিময়ৰ সুযোগ দিয়া হৈছিল। আজি বিজ্ঞান প্ৰশিক্ষণ শিবিৰৰ উদ্বোধনী অনুষ্ঠানত বিজ্ঞান প্ৰযুক্তিবিদ্যা বিভাগৰ বিশেষ সচিব তথা মহাকাশ বিজ্ঞানী পি এল এন ৰাজু, আই আই টি গুৱাহাটীৰ সঞ্চালক অধ্যাপক দেৱেন্দ্ৰ জালিহাল, এষ্টেকৰ সঞ্চালক ড০ জয়দীপ বৰুৱাৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

0000000

গোৱালপাৰা জিলাৰ পাইকান সংৰক্ষিত বনাঞ্চলৰ উচ্ছেদিত ভূমিত আজিৰে পৰা গছপুলি ৰোপন কৰা হৈছে। যোৱা ১২ জুলাইত বন বিভাগ আৰু প্ৰশাসনে সংৰক্ষিত বনাঞ্চলখনত ১৩৮ হেক্টৰ ভূমি দখলমুক্ত কৰিছে। এই ভূমিৰ প্ৰতি হেক্টৰতে দুহেজাৰ ৫০০টাকৈ গছপুলি ৰোপনৰ বাবে বন বিভাগে লক্ষ্য লৈছে। এই গছপুলি ৰোপনৰ জৰিয়তে অঞ্চলটো সেউজীয়া আৰু প্ৰদূষণমুক্ত কৰাৰ উপৰি হাতী-মানুহৰ সংঘাত ৰোধ কৰাৰ ব্যৱস্থা কৰা হৈছে।

0000000

স্বাস্থ্য পৰীক্ষাৰ আইনগত নথিপত্ৰ আৰু মৰণোত্তৰ পৰীক্ষাৰ নথিসমূহ সহজে পাব পৰাকৈ আজি ৰাজ্যৰ স্বাস্থ্য বিভাগে গোৱালপাৰাৰ ছহিদ নিধানুৰাম ৰাজবংশী অসামৰিক চিকিৎসালয়ত প্ৰথমটো মডলেপাৰ (ModLEaPR) প'ৰ্টেল আজি মুকলি কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত আৰক্ষীৰ বিশেষ সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। প'ৰ্টেল মুকলি কৰি শ্ৰী গুপ্তাই কয়,

যে প'ৰ্টেলটোৰ জৰিয়তে গুৰুত্বপূৰ্ণ নথিসমূহ সংৰক্ষণ কৰাটো সহজ হোৱাৰ লগতে আৰক্ষীৰ বাবে গোচৰসমূহ ক্ষীপ্ৰতাৰে সমাধাম কৰা সুবিধা হ'ব। স্বাস্থ্য বিভাগৰ সঞ্চালক ডাঃ উমেশ ফাংচ', গোৱালপাৰাৰ আৰক্ষী অধীক্ষক নৱনীত মহন্তৰ উপৰি এই অনুষ্ঠানত স্বাস্থ্য সেৱা সঞ্চালকালয় আৰু অসম আৰক্ষীৰ ভালেসংখ্যক বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

0000000

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বি টি আৰৰ বিভিন্ন ঠাইত বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰি বিজেপিৰ কৰ্মকৰ্তাসকলৰ সৈতে মত বিনিময় কৰে। বাক্সা জিলাৰ অদালবাৰী, হাউলী মাজৰগাঁওত তৃণমূল পৰ্যায়ৰ বিজেপিৰ কৰ্মীৰ সৈতে বাৰ্তালাপ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই উন্নয়নৰ নতুন লক্ষ্যৰে শান্তিপূৰ্ণ বড়োলেণ্ডৰ বিপুল সম্ভাৱনাৰ দিশত কাম কৰিবলৈ দলটো প্ৰতিজ্ঞাবদ্ধ বুলি মন্তব্য কৰে।

সমাগত বি টি আৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হোৱা  এই ৰাজনৈতিক কুচকাৱাজৰ মাজতে অদালবাৰীৰ পৰা হাউলীলৈ যাত্ৰা কৰোতে বজালী জিলা আয়ুক্ত কাৰ্যালয়ত উপস্থিত হৈ মুখ্যমন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমেৰে কথা-বতৰা হয়। ৰাজ্যত চলি থকা উচ্ছেদ কাৰ্য সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত তেওঁ কয়, যে বজালী জিলাতো সীমান্তৱৰ্তী অঞ্চল, বৰপেটাৰ সৰ্থেবাৰী ৰাজহচক্ৰৰ অন্তৰ্গত কাৰৈমাৰী, গলিবন্ধা আৰু সৰ্থেবাৰীৰ বিভিন্ন ঠাইত কেইবাহাজৰ বিঘা ভূমি অতি সোনকালে দখলমুক্ত কৰা হ'ব। সাধাৰণ ৰাইজক দখলকাৰীক সহযোগ নকৰিবলৈ আহ্বান জনাই ড০ শৰ্মাই ৰাজ্যত এতিয়াও ২৯ লাখ বিঘা মাটি দখলকাৰীৰ কবলত আছে বুলি মন্তব্য কৰে।

0000000

এণ্ডাৰছন-তেণ্ডুলকাৰ শৃংখলাত ভাৰতে ২-২ৰ সমতা স্থাপন কৰিছে। অভেলত অনুষ্ঠিত পঞ্চম তথা অন্তিম টেষ্টৰ আজি পঞ্চম দিনা কেৱল ৫৭ মিনিটতে ভাৰতীয় বলাৰ মহম্মদ চিৰাজ আৰু প্ৰসিদ্ধ কৃষ্ণই ইংলেণ্ডৰ দ্বিতীয় ইনিংছৰ বাকী থকা চাৰিটা উইকেট অধিকাৰ কৰি দলক অবিশ্বাস্য বিজয়ৰ সোৱাদ দিয়ায়। ইংলেণ্ড ৬ ৰাণত পৰাজিত হয়। মহম্মদ চিৰাজক প্লেয়াৰ অব দ্য মেচ ঘোষণা কৰা হয়।

0000000

শাস্ত্ৰীয় সংগীতজ্ঞ, বিশিষ্ট বেহেলাবাদক, অৱসৰপ্ৰাপ্ত শিক্ষক সত্যকৃষ্ণ মিশ্ৰৰ আজি পুৱা বৰপেটাৰ গলিয়াহাটীৰ নিজ বাসগৃহত দেহাৱসান ঘটে। বৰপেটাৰ সমাজ জীৱনৰ অভিভাৱক স্বৰূপ মিশ্ৰৰ মৃত্যুৰ সময়ত বয়স হৈছিল ১০০ বছৰ। ১৯২৬ চনত বৰপেটাৰ এটা সংস্কৃতিবান পৰিয়ালত জন্মগ্ৰহণ কৰা মিশ্ৰ সৰুৰেপৰা সংগীত চৰ্চাত নিমগ্ন আছিল। এগৰাকী ফুটবল খেলুৱৈ আৰু অভিনেতা হিচাপে দক্ষতা থকা মিশ্ৰ বৰপেটা বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰথমগৰাকী অধ্যক্ষ আছিল। দেশৰ কেইবাখনো ৰাজ্যৰ আগশাৰীৰ শাস্ত্ৰীয় সংগীতানুষ্ঠানত বেহেলা বাদন পৰিৱেশন কৰি তেওঁ দৰ্শকক আপ্লুত কৰিছিল। তেওঁৰ মৃত্যুত জিলাখনৰ বিভিন্ন দল-সংগঠন আৰু ব্যক্তি বিশেষে শোক প্ৰকাশ কৰিছে।

0000000

সমাপ্ত